জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৪৯/২০২৩**

# নৱনিযুক্ত সহকাৰী অধ্যাপক-অধ্যাপিকাসকলৰ বাবে আয়োজিত প্ৰাৰম্ভিক প্ৰশিক্ষণ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## শিক্ষক সমাজক উৎসৰ্গিত মনোভাৱেৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৬ জুলাই ঃ** আজি খানাপাৰাস্থিত অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত উচ্চ শিক্ষা বিভাগৰ সৌজন্যত নৱনিযুক্ত সহকাৰী অধ্যাপক-অধ্যাপিকা সকলৰ বাবে আয়োজিত প্ৰাৰম্ভিক প্ৰশিক্ষণ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

নৱনিযুক্ত সহকাৰী অধ্যাপক-অধ্যাপিকা সকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ছাত্ৰ-ছাত্ৰীক জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাৰে আগুৱাই নিয়াৰ যাত্ৰাত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ লগতে কয় যে প্ৰচলিত শিক্ষা ব্যৱস্থা আৰু পৰিবৰ্তিত পৰিস্থিতিৰ সম্পৰ্কে সুপৰিচিত হোৱাতো অতিশয় প্ৰয়োজনীয়। তেওঁ কয় যে এইক্ষেত্ৰত প্ৰশিক্ষণৰ এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে। প্ৰশিক্ষণে এগৰাকী শিক্ষকক এই মহান বৃত্তিটোত নিজকে সফলতাৰে নিয়োজিত হ'বলৈ তথা শিক্ষাৰ্থীসমাজক ভৱিষ্যতে উপযুক্ত মানৱ সম্পদ ৰূপে গঢ়ি তুলিবলৈ প্ৰস্তুত কৰে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে পৃথিৱীৰ পৰিৱৰ্তিত পৰিস্থিতিৰ ওপৰত সততে খবৰ ৰখাৰ লগতে নিজৰ বিষয়ৰ ওপৰত সদায় তথ্য সম্বলিত জ্ঞান ৰাখি তথা আধুনিক প্ৰযুক্তিৰ লগত নিজকে খাপখুৱাই ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰিব লাগিব। শিক্ষকসকলে দেশৰ ভৱিষ্যত নিৰ্মাণ কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে এই ক্ষেত্ৰত প্ৰকৃত মানৱ সম্পদ গঢ়ি তুলিবলৈ হ'লে উৎসৰ্গিত মনোভাৱেৰে ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা প্ৰদান কৰিব লাগিব। প্ৰাসংগিক শিক্ষাৰে শিক্ষাদান কৰি ছাত্ৰ ছাত্ৰীসকলক উপকৃত কৰিব পৰাকৈ আৰু নতুন শিক্ষানীতিৰ জৰিয়তে শিক্ষা ব্যৱস্থালৈ অহা পৰিৱৰ্তনৰ বিষয়ে জ্ঞান অৰ্জন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সুদৃঢ় কৰাৰ উদ্দেশ্যে নিষ্ঠাৰে আত্মনিয়োগ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে অধ্যাপক-অধ্যাপিকাসকলক আহ্বান জনায়। তেওঁ লগতে শিক্ষাদানৰ জৰিয়তে শিক্ষাৰ্থীসমাজৰ হৈ আহোপুৰুষাৰ্থ কৰি সমাজখনক আগুৱাই নিয়াৰ লগতে ৰাজ্যখনকো আগুৱাই নিবলৈ অধ্যাপক-অধ্যাপিকা সকলক আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত ইতিমধ্যে ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ণ কৰা হৈছে। নৱনিযুক্ত অধ্যাপক-অধ্যাপিকাসকলে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে আনি দিয়া পৰিৱৰ্তনৰ ধাৰাটোৰ সৈতে নিজকে খাপখুৱাই শিক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ মনত দকৈ ৰেখাপাত কৰিব পৰা শিক্ষা ব্যৱস্থাটোৰে নিজকে উজ্জ্বলাই তোলাৰ বাবে ঐকান্তিক প্ৰয়াস চলাব লাগিব বুলিও তেওঁ

কয়। এতিয়াও বহু মহাবিদ্যালয়ে ৰাষ্ট্ৰীয় মূল্যায়ণ আৰু প্ৰত্যাৰ্পণ পৰিষদ (নাক)ৰ স্বীকৃতি লাভৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত নিযুক্তপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকাসকলে নেতৃত্ব প্ৰদান কৰিব লাগিব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা ব্যৱস্থাটো অধিক গতিশীল কৰাৰ বাবে মেধাৰ ভিত্তিত অতি স্বচ্ছতাৰে শিক্ষক নিযুক্তি প্ৰদান কৰিছে।

আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ উপদেষ্টা ডাঃ ননী গোপাল মহন্ত, শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ প্ৰমুখ্যে শিক্ষা বিভাগৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

**প্ৰঃদাঃ**
**২৬/০৭/২০২৩**